**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-Aug-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। বিটিআৰত বিজেপি শাসনলৈ আহিলে সকলোৰে সমান অধিকাৰ পাব বুলি কোকৰাঝাৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিশ্ৰুতি।

২। ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজি আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত কেন্দ্ৰই ৫ বছৰত অসমলৈ ৩ হাজাৰ ৫৫৯ কোটি ১৯ লাখ টকা মুকলি কৰি দিছে বুলি কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰীৰ তথ্য প্ৰকাশ।

৩। উৰিয়ামঘাটত আজিৰ পৰা প্ৰশাসন আৰু বন বিভাগৰ তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান।

৪। তামুলপুৰত অভিষেক দাসৰ মৃত্যুৰ ঘটনাৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত আৰম্ভ। মুখ্যমন্ত্ৰীৰ উচিত তদন্তৰ আশ্বাস।

**আৰু**

৫। ৫ বছৰত ৰাজ্যত দুহেজাৰ ২৬৫টা অনলাইন বিত্তীয় প্ৰবঞ্চনাৰে ৩ কোটি ৭৭ লাখ টকা লুট।

০০০০০০

বিটিআৰত বিজেপি শাসনলৈ আহিলে সকলোৰে সমান অধিকাৰ লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কালি কোকৰাঝাৰ জিলাত দুখনকৈ সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বিটিচিত বিজেপি চৰকাৰ হ'লে কোনো দ্বিতীয় শ্ৰেণী নাগৰিক নাথাকিব। বিটিচি চুক্তি স্বাক্ষৰ হোৱাৰ ২২ বছৰ পাছতো অঞ্চলটোৰ ৰাইজে আজিও বিচৰাধৰণে অধিকাৰ নাপালে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপিৰ লক্ষ্য হৈছে বিটিচিৰ প্ৰতিটো জাতি-জনগোষ্ঠীক প্ৰথম শ্ৰেণীৰ নাগৰিকৰ মৰ্যাদা আৰু অধিকাৰ প্ৰদান কৰা। বিটিআৰবাসীৰ মাটি-বাৰীৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধান, শিক্ষাৰ উন্নয়ন, মহিলাৰ স্ব-নিৰ্ভৰশীলতা, আন্তঃগাঁথনি উন্নয়ন, যুৱ শক্তিৰ বিকাশ আৰু জীৱন জীৱিকাৰ সৰ্বাংগীন বিকাশেৰে বিজেপিয়ে এখন নতুন বিটিআৰৰ সপোন ৰচা বুলিও তেওঁ কয়। জিলাখনৰ কালিপুখুৰী হাউৰীয়া মাণ্ডলিক বাক্ৰা খেলপথাৰত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি ড০ শৰ্মাই ১২ নম্বৰ চালাকাঠি পৰিষদীয়ৰ সমষ্টিৰ দলীয় কৰ্মকৰ্তাসকলক সম্বোধন কৰাৰ পাছতে কাশিয়াবাৰীৰ আৰনাই খেলপথাৰত আয়োজিত আন এখন সভাত অংশগ্ৰহণ কৰে। এই সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মহিলাসকলে বিজেপিৰ শাসনত স্ব-নিৰ্ভৰলশীলতাৰ দিশে আগবঢ়াৰ প্ৰসংগও দাঙি ধৰে। সম্প্ৰতি ৰাজ্যৰ ৮ লাখ মহিলাই বছৰি এক লাখ টকাকৈ উপাৰ্জন কৰিব আহিছে বুলি তেওঁ কয়—

**বাইট (চি এম)**

ইপিনে আসন্ন বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ বিভিন্ন ৰাজনৈতিক দলে বি টি আৰৰ অন্তৰ্গত জিলা কেইখনত তৎপৰতা অব্যাহত ৰাখিছে। ইউ পি পি এল দলে কালি কোকৰাঝাৰত সুসংগত বড়োলেণ্ড শীৰ্ষক এটা সমদলৰ আয়োজন কৰে। নিৰ্বাচনৰ বাবে ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলে কালি ৩০ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজি আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত বিগত ৫ বছৰত অসমলৈ ৩ হাজাৰ ৫৫৯ কোটি ১৯ লাখ টকা মুকলি কৰি দিছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কালি তৃণমূল

কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজ্য সভাত এই তথ্য প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দিয়া তথ্য অনুসৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত ২০২০-২১ বিত্তীয় বৰ্ষত অসমলৈ ৬১৭ কোটি ৬০ লাখ টকা মুকলি কৰি দিছে। একেদৰে ২০২১-২২ বিত্তীয় বৰ্ষত ৬১৭ কোটি ৬০ লাখ টকা, ২০২২-২৩ বিত্তীয় বৰ্ষত ৬৪৮ কোটি ৮০ লাখ টকা, ২০২৩-২৪ বিত্তীয় বৰ্ষত ৬৮০ কোটি ৮০ লাখ টকা আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত ৬৭১ কোটি টকা  মুকলি কৰি দিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত ২০২০-২১ বিত্তীয় বৰ্ষত ৪৪ কোটি ৩৭ লাখ টকা, ২০২২-২৩ বিত্তীয় বৰ্ষত ২৫০ কোটি আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৯ কোটি ২ লাখ টকা মুকলি কৰি দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰিছে।

000000

গোলাঘাট জিলাৰ উৰিয়ামঘাটত প্ৰশাসন আৰু বন বিভাগে চলাই থকা উচ্ছেদ অভিযান সাময়িকভাৱে স্থগিত ৰখা হৈছে যদিও আজি পুনৰ এই উচ্ছেদ অভিযান আৰম্ভ কৰা হ'ব। প্ৰশাসন আৰু বন বিভাগে আজি দিনৰ চাৰে ৯ বজাৰ পৰা ৰেংমা বনাঞ্চলৰ ১ নম্বৰ মধুপুৰ, ৰাণানগৰ আৰু হাতীডুবি অঞ্চলত তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান চলাব। ইয়াৰ বাবে প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। তদুপৰি অঞ্চলকেইটাত কটকটীয়া নিৰাপত্তা ব্যৱস্থাও গঢ়ি তোলা হৈছে। উল্লেখযোগ্য যে উৰিয়ামঘাটত চৰকাৰে উচ্ছেদ অভিযান চলাই এইপৰ্যন্ত প্ৰায় ১৩ হাজাৰ বিঘা বনাঞ্চল দখলমুক্ত কৰিছে। ৰেংমা বনাঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ আশে-পাশে আন একাংশ অঞ্চলতো উচ্ছেদ চলোৱাৰ বাবে প্ৰস্তুতি চলাইছে। ৰেংমা বনাঞ্চলত প্ৰশাসন আৰু বন বিভাগে আজি পুনৰ উচ্ছেদ অভিযান আৰম্ভ কৰা সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে জনাইছে---

**ভইচ (হিৰণ্য গগৈ)**

000000

যোৱা ২০ আগষ্টত তামুলপুৰ জিলাৰ গোৰেশ্বৰ  থানাৰ অন্তৰ্গত সুৰাগপুৰ ভৰালী চ'কত এটা দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তেজিত লোকৰ আক্ৰমণত এজন যুৱক নিহত হোৱা ঘটনা সম্পৰ্কত তামুলপুৰৰ জিলা দণ্ডাধীশৰ নিৰ্দেশ মৰ্মে গোৰেশ্বৰৰ চক্ৰ বিষয়া ত্ৰিলিনা টাইডে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কালি অভিষেক দাস নামৰ মৃত যুৱকজনৰ চাৰিজন বন্ধু যুৱৰাজ বড়ো, ধ্ৰুৱজ্যোতি গুৰুং, নৱজ্যোতি দাস আৰু মাৰ্টিন বসুমতাৰীক সোৱাগপুৰ থানালৈ মাতি নি ভাষ্য গ্ৰহণ কৰাৰ পাছত তেওঁলোকৰ স্বাস্থ্য পৰীক্ষাও কৰোৱা হয়। আৰক্ষীৰ এটা উচ্চ পৰ্যায়ৰ দলে তামুলপুৰ ভ্ৰমণ কৰি ঘটনাৰ সবিশেষ বুজ লয়। ঘটনাটো সন্দৰ্ভত তামুলপুৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১০৩, এক ধাৰাৰ ৬০-২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰখা হৈছে। উল্লেখযোগ্য যে, জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তীয়ে এই ঘটনা সন্দৰ্ভত কালি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছিল। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আৰু জনসাধাৰণৰ মাজত সৃষ্টি হোৱা ক্ষোভৰ পৰিপ্ৰেক্ষিতত গোৰেশ্বৰৰ চক্ৰ বিষয়াগৰাকীক পুংখানুপুংখ তদন্ত কৰি শীঘ্ৰেই প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাত উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে ঘটনাৰ উচিত তদন্ত কৰা হ'ব বুলি কালি ঘোষণা কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা ২০ আগষ্টৰ বিয়লিৰ ভাগত জিলাখনৰ কচুকাটা গাঁৱৰ অৱসৰপ্ৰাপ্ত সৈনিক দীপক দাসৰ একমাত্ৰ পুত্ৰ অভিষেক দাসে তেওঁৰ চাৰিজন বন্ধুৰ সৈতে তেওঁৰ নিজা গাড়ীৰে বগামাটিৰ পৰা উভতি অহাৰ সময়ত বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে এখন তিনিচুকীয়া বাহন আৰু পাছত এখন দোকানত খুন্দা মাৰে। এই ঘটনাৰ খবৰ পাই একাংশ লোক উপস্থিত হয় আৰু গাড়ীচালকৰ আসনত থকা অভিষেকক ওচৰৰ এঠাইলৈ টানি নি মাৰধৰ কৰে। উন্মত্ত লোকৰ আক্ৰমণত গুৰুতৰভাৱে আহত অভিষেকক আৰক্ষীয়ে চিকিৎসাৰ বাবে ৰঙিয়ালৈ আনে যদিও আদবাটতে যুৱকজনৰ মৃত্যু হয়। অভিষেক দাসৰ পিতৃয়ে এই ঘটনা সন্দৰ্ভত তামুলপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ২০১৮ চনত কাৰ্বি আংলঙত অভি-নীল হত্যাকাণ্ডৰ দুঃসহ স্মৃতি সোঁৱৰাই দিয়া এই ঘটনা সন্দৰ্ভত সমগ্ৰ ৰাজ্যতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

০০০০০০

বিগত পাঁচ বছৰত অসমত দুহেজাৰ ২৬৫ টা অনলাইন বিত্তীয় প্ৰবঞ্চনাৰ ঘটনা সংঘটিত হৈছে বুলি বিত্ত মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই ঘটনাসমূহৰ জৰিয়তে প্ৰবঞ্চকে তিনি কোটি ৭৭ লাখ টকা লুটি নিছে। এই বৃহৎ অংকৰ ধনৰ ভিতৰত আৰক্ষী প্ৰশাসনে মাত্ৰ ২৮ লাখ টকাহে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে বুলি মন্ত্ৰ্যালয়ে লগতে প্ৰকাশ কৰে। ২০২০-২১ বিত্তীয় বৰ্ষত অসমত এনেধৰণৰ ৩৭৭ টা ঘটনা সংঘটিত হৈছিল। ২০২১-২২ বৰ্ষত ১৬০ টা, ২০২২-২৩ বৰ্ষত ১৪০ টা আৰু ২০২৩-২৪ বৰ্ষত সৰ্বাধিক এহেজাৰ ১৪০ টা বিত্তীয় প্ৰবঞ্চনাৰ ঘটনা সংঘটিত হোৱা বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰে। ২০২৪-২৫ বিত্তীয় বৰ্ষত ৪৮৮ টা এনে ঘটনা সংঘটিত হৈছে বুলি মন্ত্ৰ্যালয় প্ৰকাশ কৰিছে।০০০০

০০০০০০

ডিব্ৰুগড়ৰ নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিৎ ঘোষ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এইকথা সদৰি কৰিছে। বাৰ্তাটোত তেওঁ কয়, যে এই সন্মানে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰাই নহয়, চাহ বাগিচা অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনলৈও আশাৰ বাৰ্তা বহন কৰিছে। এই কৃতিত্বই ৰাজ্যৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে শৈক্ষিক সমাজখনক অনুপ্ৰেৰণা যোগাব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। অহা ৫ ছেপ্তেম্বৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁক আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ২০২৩ চনত দেৱজিৎ ঘোষ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰে সন্মানিত হৈছিল।

০০০০০০

গৃহ মন্ত্ৰ্যালয়ে তিনিচুকীয়া জিলাৰ ডিগবৈ থানাক ৰাজ্যৰ শ্ৰেষ্ঠ থানা হিচাপে বাছনি কৰিছে। দেশৰ ৭৬ খন থানাৰ ভিতৰত ডিগবৈ থানাই স্মাৰ্ট আৰক্ষী সেৱাৰ জৰিয়তে এই সন্মান লাভ কৰিছে। আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত ডিগবৈ থানাক শ্ৰেষ্ঠ থানা হিচাপে প্ৰশংসা পত্ৰ প্ৰদান কৰা হ'ব। অসম আৰক্ষীৰ পৰিদৰ্শক দিব্যজ্যোতি দত্তই ডিগবৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্ব পালন কৰি আছে। বিষয়াগৰাকীৰ নেতৃত্বত ডিগবৈ অঞ্চলত অপৰাধমূলক কাম-কাজ হ্ৰাস পোৱাৰ উপৰি কেইবাটাও অঞ্চলত সজাগতাৰ সৃষ্টি হৈছে।

০০০০০০

যোৰহাট জিলাৰ নিমাতিঘাটত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। খহনীয়াৰ কবলত পৰি যোৰহাটকে ধৰি বিস্তীৰ্ণ অঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। খহনীয়াৰ ফলত নিমাতি হাঁটীশাল শৈলবান্ধৰ এটা বৃহৎ অংশ খহি যায়। খহনীয়াৰ ফলত ঐতিহাসিক ক'কিলাপথাৰো নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে। মাজুলীৰ বেচামৰা দিশৰ পৰা নদীখনে প্ৰত্যক্ষভাৱে দক্ষিণপাৰত খুন্দা মৰাৰ ফলত নিমাতি হাঁটীশালৰ দুই নম্বৰ শৈলবান্ধ আৰু এক নম্বৰ বুলহেডৰ মাজৰ ভিতৰ ক'কিলা অঞ্চলত খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। জলসম্পদ বিভাগে খহনীয়া ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছে যদিও সমস্যাৰ সমাধান নোহোৱাত জনসাধাৰণেত উদ্বিগ্নতা প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণৰ দুই নম্বৰ দিখাৰী গাঁৱত ভাদমহীয়া নাম-কীৰ্তনৰ মাহ-প্ৰসাদ খোৱাৰ পাছত বিষক্ৰিয়া হৈ শিশু-মহিলাসহ কমেও ৬৭ জন লোক অশুস্থ হৈ পৰিছে। অসুস্থসকলক মৰাণ তিলৈ সামুহিক স্বাস্থ্য কেন্দ্ৰ, খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু লেঙেৰী স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হৈছে। ইয়াৰে গুৰুতৰভাৱে অসুস্থ ২৪ গৰাকীক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। কালি মন্ত্ৰী বিমল বৰাই চিকিৎসাধীন লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ স্বাস্থ্যৰ অৱস্থাৰ বুজ লয়। ইপিনে, আক্ৰান্তৰ সংখ্যা আৰু বৃদ্ধি হোৱাৰ আশংকা কৰি স্বাস্থ্য বিভাগে অঞ্চলটোৰ ঘৰে ঘৰে গৈ ঔষধ যোগান ধৰিছে। ডিব্ৰুগড় জিলা খাদ্য বিভাগৰ এটা তদন্তকাৰী দলে প্ৰসাদত কিদৰে বিষক্ৰিয়া হ'বলৈ পালে সেই বিষয়ে তদন্ত অব্যাহত ৰাখিছে। দলটোৱে নামঘৰৰ

প্ৰসাদ আৰু পানী সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ উপৰি যিকেইখন দোকানৰ পৰা বুট আৰু মগুমাহ ক্ৰয় কৰা হৈছিল সেই দোকান কেইখনৰ বুট-মাহৰ নমুনা পৰীক্ষাৰ বাবে সংগ্ৰহ কৰিছে।

০০০০০০

বিধি বলৱৎকাৰী সঞ্চালকায়ৰ শেহতীয়া তদন্তৰ তথ্য অনুসৰি দেশৰ একাংশ বে-চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত ভুৱা নথিপত্ৰৰে প্ৰবাসী ভাৰতীয়ৰ কোটাত প্ৰায় ১৮ হাজাৰ শিক্ষাৰ্থীয়ে নামভৰ্তি কৰা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰিত স্থান দিছে।

ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিবেদন অনুসৰি অস্থিৰ বতৰ, শস্য চপোৱাৰ সময়ত তাপমাত্ৰা বেছি হোৱা, উন্নত বীজৰ অভাৱত আদি কাৰকৰ বাবে অসমত সৰিয়হ খেতিয়ে উপযুক্ত গতি লাভ কৰা নাই। এই বাতৰিটো তথ্য সহিতে দৈনিক অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

উৎপাদনৰ লগতে আমদানি বৃদ্ধিৰ ফলত চলিত বৰ্ষত চাহৰ মূল্য হ্ৰাস পোৱাৰ এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

তিববতত ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে নিৰ্মাণ কৰা বিশ্বৰ বৃহত্তম নদীবান্ধৰ ফলত খৰাঙৰ দিনবোৰত ব্ৰহ্মপুত্ৰৰ পানী ৮৫ শতাংশ হ্ৰাস পাব বুলি ভাৰত চৰকাৰে আশংকা কৰা বাতৰিটো দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৬ সংখ্যক তিৰোভাব তিথিত কালি সমগ্ৰ ৰাজ্য হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰা বাতৰিটো দ্যা ছেণ্টিনেল, দৈনিক জনমভূমিকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দেশৰ পৰিকল্পনা আয়োগৰ প্ৰাক্তন সদস্য চৈয়দা হামিডে গুৱাহাটীত বাংলাদেশীৰ পক্ষত কৰা মন্তব্যই সমগ্ৰ ৰাজ্যজুৰি বিতৰ্কৰ সৃষ্টি কৰা বাতৰিটো ভিন ভিন শিৰোনামেৰে আমাৰ অসম, নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

০০০০০০

দৰং জিলাৰ মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত বইনা ওজাপাৰা গাঁৱৰ সৰবৰহী যুৱক ভাৰতীয় জীৱন বীমা নিগমত কৰ্মৰত হিতেশ শৰ্মাৰ কালি বিয়লি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৫ বছৰ। জিলাখনৰ আউলাচৌকা অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত শৰ্মাৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত